
DAILY ASSAM

ল্য, জ্য, স্য


পাঠ ২

Q8T6N4

# একতাৰ বল



মহীকান্ত বৰুৱা গাঁওখনৰ গাঁওবুঢ়া। তেওঁ গাঁওখনৰ মানুহক মিলা-প্ৰীতিৰে থাকিবলৈ সময়ে সময়ে উপদেশ দিয়ে। কিন্তু তেওঁৰ নাতি-নাতিনীয়েকহঁতৰ মাজত মিল নাছিল। নাতি-নাতিনীয়েকহঁতৰ মাজত মিলা-প্ৰীতি নোহোৱা দেখি মহীকান্তৰ মহাচিন্তা।এনে অৱস্থাত এদিন জহকালি সন্ধিয়া ককাক মহীকান্তই সিহঁতক কাষলৈ মাতি আনি ক'লে— "আজি মই তোমালোকক এটা মজাৰ সাধু ক'ম।" সাধু ক'ব বুলি কোৱাৰ লগে লগে সিহঁতে ককাকৰ কাষত জুম বান্ধিলে। ককাকে আৰম্ভ কৰিলে—



এখন গাঁৱত এজন খেতিয়ক আছিল। খেতিয়কজনৰ চাৰিজন পুতেক। পুতেককেইজনৰ মাজত একেবাৰেই মিলা-প্ৰীতি নাছিল। দেউতাকে সৰুৰে পৰা তেওঁলোকক নানান মূল্যৱান উপদেশ দি আহিছিল। কিন্তু দেউতাকৰ উপদেশলৈ পুতেকহঁতে কাণসাৰেই কৰা নাছিল। দেউতাকে বহু কষ্টৰে খেতি-বাতি কৰি পৰিয়ালটো পোহপাল দিছিল। পুতেকহঁতে কিন্তু দেউতাকক কোনো ধৰণৰ সহায় কৰা নাছিল।

খেতিয়কজন ক্ৰমে বুঢ়া হৈ আহিল। পুতেকহঁতৰ স্বভাৱ দেখি চিন্তাত তেওঁৰ টোপনি নহা হ'ল। তেওঁ ভাবিলে, এনেদৰে থাকিলে পুতেকহঁত ভৱিষ্যতে বিপদত পৰিব। তাকে ভাবি তেওঁ ল'ৰাহঁতক কথাই কামে বুজাবলৈ এটা বুদ্ধি পাঙিলে। এদিন তেওঁ পুতেকহঁতক কেইডালমান ইকৰাৰ কাঠী আনিবলৈ ক'লে। দেউতাকৰ কথামতে পুতেকহঁতে ইকৰাৰ কাঠী কেইডালমান আনিলে। তেতিয়া দেউতাকে প্ৰত্যেককে একোডালকৈ কাঠী ভাঙিবলৈ দিলে। চাৰিওজনে সেই কাঠী অনায়াসে ভাঙিলে।

এইবাৰ দেউতাকে কাঠীবোৰ মুঠা বান্ধি পুতেকহঁতক এজন এজনকৈ ভাঙিবলৈ দিলে। তেওঁলোকে প্ৰত্যেকে মুঠাটো ভাঙিবলৈ চেষ্টা কৰিলে। কিন্তু বহু চেষ্টাৰ মূৰতো কোনো এজনেও কাঠীৰ মুঠাটো ভাঙিব নোৱাৰিলে। তেতিয়া দেউতাকে চাৰিওজন পুতেকক কাষলৈ মাতি



আনি ক'লে— "এতিয়া বুজিলানে বোপাইহঁত! তোমালোক আটায়ে একোডালকৈ কাঠী দিওঁতে সহজে ভাঙিব পাৰিলা ; কিন্তু গোটেইকেইডাল কাঠী মুঠা বান্ধি দিওঁতে ভঙাত সফল হ'ব নোৱাৰিলা। ঠিক তেনেদৰে একেলগে মিলা-প্ৰীতিৰে চলিলে কোনেও তোমালোকৰ একো হানি-বিঘিনি ঘটাব নোৱাৰে। খেতি-বাতি, বেপাৰ-বাণিজ্যতো সফল হ'ব পাৰিবাহঁক। এতিয়াৰে পৰা তোমালোকে সকলো কাম-কাজ একেলগে কৰিবা। প্ৰত্যেকে ঘৰৰ প্ৰতিজন সদস্যৰ দিহা পৰামৰ্শ লৈ কাম-কাজ কৰিলে সফল নোহোৱাৰ কাৰণ নাই। সকলো কামকে লগে-ভাগে আনন্দৰে কৰাৰ চেষ্টা কৰিবা।" চাৰিওজন পুতেকে কথাটো বুজি পালে আৰু একেলগ হৈ কামত লাগিলগৈ।

সাধুটো শেষ কৰি ককাকে ক'লে— "এতিয়া বুজিলানে, মিলিজুলি থাকিলে তোমালোক কেতিয়াও বিপদত নপৰা। সকলো কামতে সাফল্য অৰ্জন কৰিব পাৰিবা। এতিয়া যোৱাহঁক, ফলি-পুথি লোৱাগৈ।"

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**সাধুটো তোমাৰ নিজৰ কথাৰে কোৱা।**

**উত্তৰ দিয়া।**

(ক) গাঁওবুঢ়া মহীকান্তৰ নাতি-নাতিনীয়েকহঁতক লৈ কি হৈছিল?

(খ) সাধুকথা ক'ম বুলি কোৱাত নাতি-নাতিনীয়েকহঁতে কি কৰিলে?

(গ) খেতিয়কজনৰ কেইজন পুতেক আছিল?

(ঘ) পুতেককেইজনৰ মাজত মিল আছিলনে?


(ঙ) দেউতাকে পুতেকহঁতক ইকৰা কাঠীবোৰ কি কৰিবলৈ দিলে?

(চ) ইকৰাৰ মুঠাটো সিহঁতে অকলে ভাঙিব পাৰিলেনে?

(ছ) মিলিজুলি থাকিলে কি হয়?

**থালখনত থকা শব্দবোৰ পঢ়া। শব্দবোৰৰ অৰ্থ পাচিটোৰ পৰা বিচাৰি নিজৰ বহীত লিখা।**




*প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

**তলৰ শব্দ কেইটা ক্ৰমত সজাই বাক্যটো পুনৰ লিখা।**

**উদাহৰণ—** আছিল এখন খেতিয়ক গাঁৱত এজন

| এখন গাঁৱত এজন খেতিয়ক আছিল। |
|---|

(ক) চাৰিজন আছিল খেতিয়কজনৰ পুতেক

| |
|---|
| |

(খ) পুতেক নাছিল মাজত কেইজনৰ মিল


| |
|---|
| |


(গ) ক্ৰমে আহিল হৈ বুঢ়া খেতিয়কজন

| |
|---|
| |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**নাওখনত থকা শব্দবোৰ পঢ়া। খালী ঠাইত উপযুক্ত শব্দ লিখি বাক্যবোৰ সম্পূৰ্ণ কৰা।**



(ক) তেওঁৰ ............................ ভাল।

(খ) অবাবত .................. সময় নষ্ট নকৰিবা।

(গ) মিলিজুলি কাম কৰিলে সহজে ............................ অৰ্জন কৰিব পাৰি।

(ঘ) খেতিয়কজনে খেতি-বাতি কৰি পৰিয়ালটো ............................ দিছিল।


(ঙ) বলেৰে নোৱাৰিলে ............................ প্ৰয়োগ কৰিবা।

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আহা

| | | | | | |
|---|---|---|---|---|---|
| মূল্যৱান | ল্য | ল + য় | লই | য়ই | ল্য |
| বাণিজ্য | জ্য | জ + য় | জই | য়ই | জ্য |
| সদস্য | স্য | স + য় | সই | য়ই | স্য |

জানি থোৱা— 'শ', 'ষ', 'স'ৰ লগত 'য়' যোগ হ'লে ধ্বনি কেইটাৰ উচ্চাৰণ 'চ্য' হয়। যেনে— শ্যামল, ভৱিষ্যত, নমস্য

যুক্তাক্ষৰ গঠন কৰোঁ আহা




| | | |
|---|---|---|
| ল + য় | লই য়ই | ল্য |
| জ + য় | জই য়ই | জ্য |
| স + য় | সই য়ই | স্য |


হাতেৰে আমি কি কি কৰোঁ লিখা।

খেলোঁ — হাতেৰে আমি— কেৰম, লুডু.................................... খেলোঁ।

খোলোঁ — ....................................

ভাঙোঁ — ....................................

মাছৰ ভিতৰৰ পৰা যুক্তাক্ষৰ আনি বাক্যকেইটা সম্পূৰ্ণ কৰা।




পিতৃ-মাতৃ আমাৰ পূ___।

সময় অমূ___ ধন।

শিক্ষাগুৰুসকল নম___।

☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

কিছুমান শব্দ লগলাগি এটা সম্পূর্ণ অৰ্থ প্ৰকাশ কৰিলে আমি সেই শব্দৰ গোটটোক বাক্য বোলো। বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰক পদ বোলা হয়।

বাক্যৰ দুটা ভাগ

যাৰ বিষয়ে কোৱা হয়।

যিহৰ বিষয়ে কোৱা হয়।

যেনে— **"খেতিয়কজন ক্ৰমে বুঢ়া হৈ আহিল"**

বাক্যটোৰ এটা ভাগত **খেতিয়কজন-ৰ** বিষয়ে কোৱা হৈছে। আনটো ভাগত **ক্ৰমে বুঢ়া হৈ আহিল** বুলি কোৱা হৈছে। বাক্যটি এইদৰে দুভাগত ভগাব পাৰি। যেনে—

| ক অংশ | খ অংশ |
|---|---|
| খেতিয়কজন | ক্ৰমে বুঢ়া হৈ আহিল |

**ঠিক সেইদৰে তলৰ বাক্যসমূহ ভাগ কৰিলে দেখা পাম-**

| বাক্য | ক— অংশ | খ— অংশ |
|---|---|---|
| ককাকে সাধুকথা কৈছে | ককাকে | সাধুকথা কৈছে |
| ককায়েকজন বিদ্যালয়লৈ গ'ল | ককায়েকজন | বিদ্যালয়লৈ গ'ল |

☞ *পদ আৰু বাক্যৰ ধাৰণা দিব।*




## তলৰ বাক্যকেইটা ভাগ কৰি লিখোঁ আহা

মতিউৰ এজন ভাল ল'ৰা।

পঙ্কজে কিতাপ পঢ়িছে।

ৰতন বজাৰলৈ গ'ল।

| ক-অংশ | খ-অংশ |
|---|---|
| | |
| | |
| | |

☛ *ছাত্ৰ-ছাত্ৰীক দলত আলোচনা কৰি বাক্য লিখি ভাগ কৰিবলৈ দিব।*



## যুক্তাক্ষৰ গঠন কৰোঁ আহা

ল + য় =

দ + য় =

ক + য় = ক্য

জ + য় =

স + য় =

## গ — জ্ঞান সম্প্ৰসাৰণ




## 'ৃ' কাৰ থকা শব্দ লিখোঁ আহা

| মৃ | |
|---|---|

| ৰা | |
|---|---|

| শ | |
|---|---|



☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*





**তলৰ ছবিকেইখন চাই সাধুটো সজাই-পৰাই কোৱা।**



খেতিয়কজনে কি কৰিছে?



চৰাইকেইটাই কি কৰিছে?



খেতিয়কজনে কি পাতিছে?



চৰাইকেইটাৰ কি হ'ল?



চৰাইকেইটাই কি ভাবিছে?



চৰাইকেইটাই কি কৰিলে?



এতিয়া কি হ'ল?



**কোৱা।**

- খেতিয়কজনে কি কৰিছিল?
- শেষত কি হ'ল?

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## জানো আহা

(ক) বিপদত যাতে নপৰে তাৰ বাবে হাতীয়ে সদায় জাক পাতি ফুৰে।

(খ) সেইদৰে বান্দৰেও বিপদৰ পৰা হাত সাৰিবলৈ জাক পাতি ফুৰে।

(গ) কাউৰী এটা কেনেবাকৈ মৰিলে বা বিপদত পৰিলে লগৰ কাউৰীবোৰে ৰক্ষা কৰিবলৈ জাক পাতি কোৰ্হাল কৰে।

(ঘ) অকলে দাঙিব নোৱৰা গধুৰ বস্তু লগে-ভাগেহে দাঙিব পাৰি।

## পঢ়োঁ আহা

মূল্য

তুল্য

ভাজ্য

পূজ্য

নমস্য

সদস্য



ঘ— প্ৰকল্প

(ক) গুৰি পৰুৱা এটাৰ সন্মুখত চেনি বা অন্য আহাৰ দি তাৰ্লৈ মন কৰা। সি কি কৰে ভালকৈ লক্ষ্য কৰা আৰু এটি টোকা লিখা।

(খ) ঘৰৰ সকলোৱে মিলিজুলি কৰিব লগা কামৰ এখন তালিকা কৰা।

(গ) লগে-ভাগে কাম কৰাৰ উপৰি আমি লগে-ভাগে খাই আনন্দ পাওঁ। সৰস্বতী পূজা, মধ্যাহ্ন ভোজনত লগে-ভাগে খোৱাৰ অভিজ্ঞতা বৰ্ণনা কৰা।

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*